**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 10-02-2026 **Time :** 1100 Hrs.

0000000000

ৰাজ্যত বিশেষ সংশোধিত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব। ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বাবে যোৱা বছৰৰ ২২ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ পৰীক্ষণ সম্পন্ন কৰিছিল আৰু ইয়াৰ পাছতে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছিল। ২৭ ডিচেম্বৰৰ পৰা ২২ জানুৱাৰীলৈ খচৰা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি সন্দৰ্ভত দাবী আৰু আপত্তি গ্ৰহণ কৰা হৈছিল যদিও কেইখনমান জিলাত ওজৰ-আপত্তি অধিক হোৱাৰ বাবে আয়োগে দাবী আৰু আপত্তি গ্ৰহণৰ সময় বৃদ্ধি কৰিছিল। ৰাজ্যিক নিৰ্বাচন আয়োগে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পূৰ্বে দিয়া এটা নিৰ্দেশ অনুসৰি সংশোধনৰ সময়ত বিভিন্ন কাৰণত স্থায়ীভাৱে স্থানান্তৰিত হোৱাৰ বাবে নাম কৰ্তন হোৱা ভোটদাতাসকলক সকাহ দি আয়োগৰ ৬ নম্বৰ প্ৰ-পত্ৰ দাখিল কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ অহা ১৭-১৮ ফেব্ৰুৱাৰীত দেশৰ নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহিব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীসহ এটা উচ্চস্তৰীয় দলে নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ পৰিস্থিতি অধ্যয়ন কৰিব।

0000000

বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ পুনৰ প্ৰতিশ্ৰুতিৰে আজি ২৪ সংখ্যক বড়োলেণ্ড দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে কোকৰাঝাৰৰ বডোফা নগৰৰ গ্ৰীণ ফীল্ডত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকিব। তামুলপুৰ জিলাতো আজি বি পি এফ দলৰ উদ্যোগত জিলাখনৰ থাইগিৰখাৰীৰ হিৰিম্বা হালামাৰি বাথৌ ফিল্ডত বড়োলেণ্ড দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই অনুষ্ঠানত কেইবাটাও জাতি-জনগোষ্ঠীৰ স্বকীয় পৰম্পৰা আৰু সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। এই উপলক্ষে কালিৰে পৰা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি বড়োলেণ্ডৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হ'ব। মুকলি সভাত বি টি চিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। দিৱসৰ অংশ হিচাপে বি পি এফে পাঁচটা নিৰ্বাচনী প্ৰতিশ্ৰুতি আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ লগতে কেইবাখনো আঁচনিৰ অধীনত আৰ্থিক সাহায্য প্ৰদান কৰিব। বড়োলেণ্ড দিৱসৰ পৰিপ্ৰেক্ষিতত আজি বিটিচিত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। বিটিচিৰ সচিবে জাৰি কৰা নিৰ্দেশ অনুসৰি আজি বিটিচিৰ সকলোবোৰ চৰকাৰী কাৰ্যালয়ৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহ বন্ধ ৰখা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়োলেণ্ড দিৱস উপলক্ষে বড়োলেণ্ডবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এই দিনটোত বড়োলেণ্ডৰ লগতে সমগ্ৰ ৰাজ্যৰ জনসাধাৰণৰ বাবে গৌৰৱ, ঐক্য আৰু শান্তিৰ প্ৰতীক বুলি মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে।

000000

আন্তঃগাঁথনি উন্নীতকৰণৰ জৰিয়তে ৰাজ্যৰ সৰ্বাংগীন বিকাশৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে কালি মন্ত্ৰী পীযুষ হাজৰিকাই কমলপুৰ বিধানসভা সমষ্টিত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প মুকলি

কৰে। তেওঁ পুৰণি এন টি পথৰ উন্নীতকৰণ আৰু সম্প্ৰসাৰণৰ লগতে এখন পকী দলং মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে কমলপুৰত নৱনিৰ্মিত প্ৰৱেশদ্বাৰ, পৰিদৰ্শন বঙলা আৰু কমলপুৰ ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ কাৰ্যালয় মুকলি কৰে। তেওঁ কমলপুৰ থানাৰ প্ৰস্তাৱিত নতুন গৃহ নিৰ্মাণ আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে এখন ৰাজহুৱা সভাত অংশ লয়। সাংবাদিকৰ আগত শ্ৰী হাজৰিকাই এইদৰে কয় –

বাইট

0000000

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে দলাইগাঁৱৰ উত্তৰ বঙাইগাঁও মিনি ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকিব। বঙাইগাঁও জিলাৰ এহেজাৰ ৭৬৭ গৰাকী, ধুবুৰীৰ দুহেজাৰ ৯৪৯ গৰাকী, গোৱালপাৰাৰ দুহেজাৰ ৩৫২ গৰাকী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৩০৫ গৰাকী উদ্যোগী ব্যক্তিলৈ এই আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত সাধাৰণ শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ দুই লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব।

নলবাৰীৰ জিলা ক্ৰীড়া ষ্টেডিয়াম চৌহদত কাইলৈ এখন সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বজালী, বৰপেটা আৰু নলবাৰী জিলাৰ সম্ভাব্য উদ্যোগীক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰিব। বজালী জিলাৰ এহেজাৰ ২০৬ গৰাকী, বৰপেটাৰ দুহেজাৰ ৩৬২ গৰাকী আৰু নলবাৰীৰ দুহেজাৰ ২২০ গৰাকীকে ধৰি মুঠ ৫ হাজাৰ ৭৮৮ গৰাকী সম্ভাব্য উদ্যোগীয়ে এই ধন লাভ কৰিব। সাধাৰণ শাখাৰ প্ৰতিগৰাকীয়ে দুই লাখ টকা আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ সাহায্য আগবঢ়োৱা হ'ব। দিনৰ ১ বজাৰ পৰা হ'বলগীয়া অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱাও উপস্থিত থাকিব।

0000000

**সমাপ্ত**